**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-APR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। রাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

২। ভোটগ্ৰহণৰ বাবে প্ৰতিখন জিলা সদৰৰ পৰা প্ৰিজাইডিং, প'লিং আৰু নিৰাপত্তাৰক্ষীৰ দল গন্তব্যস্থানলৈ ৰাওনা।

৩। বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে আজি ৭ খন ৰাষ্ট্ৰৰ বিদেশী প্ৰতিনিধিৰ দলৰ অসম আগমন।

৪। যুদ্ধ বিৰতি প্ৰস্তাৱৰ প্ৰতি আমেৰিকা-ইৰান উভয়ৰে চৰ্ত সাপেক্ষ সন্মতি। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহি কেপিটেলছ আৰু গুজৰাট টাইটানছ মুখামুখি।

০০০০০০

রাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনসমূহে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। এইবাৰ নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰে ৫৯ গৰাকী মহিলা প্ৰাৰ্থী। ৰাজ্যত ২ কোটি ৫০ লাখ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবা শতাধিক কোম্পানী নিয়োগ কৰা হৈছে। ৰাজ্যখনৰ ভিতৰত দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথি পত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয় যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু বিশেষভাৱে সক্ষমলোকৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে ৩০টা নতুন পদক্ষেপ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান কালি বিয়লি ৫ বজাত সামৰণি পৰে। নিৰ্বাচনী প্ৰচাৰৰ সময় উকলি যোৱাৰ পাছত অৰ্থাৎ ছাইলেন্স পিৰিয়ড সন্দৰ্ভত ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ নম্বৰ ধাৰা অনুসৰি কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সময়ছোৱাত ৰাজহুৱা সভা, শোভাযাত্ৰা, বৈদ্যুতিক মাধ্যম অথবা সামাজিক মাধ্যমৰ জৰিয়তে কৰা প্ৰচাৰকে ধৰি সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ সম্পূৰ্ণভাৱে নিষিদ্ধ থাকিব। নিৰ্বাচন আয়োগে ইলেকট্ৰনিক মাধ্যমত মতামত, সমীক্ষা আৰু জৰীপৰ ফলাফলকে ধৰি নিৰ্বাচন সম্পৰ্কীয় বিষয়বস্তু প্ৰদৰ্শন কৰাতো

বাধা আৰোপ কৰিছে। এই সময়ছোৱাত এছ্ এম এছ্, ফোনকল অথবা সামাজিক মাধ্যমৰ জৰিয়তে ভোট বিচৰা কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সকলো প্ৰাৰ্থী, ৰাজনৈতিক দল আৰু সংবাদ মাধ্যমক এই নীতি নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। নিৰ্বাচন আয়োগে কাইলৈ হ'বলগীয়া ভোটগ্ৰহণ প্ৰক্ৰিয়াত ৰাজ্যখনৰ সকলো জনসাধাৰণকে নিৰ্ভয়ে ভোটদান কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। মুখ নিৰ্বাচনী বিষয়াগৰাকীয়ে সামাজিক মাধ্যমত এটা বিবৃতিযোগে ভোটদান ভোটদাতাসকলৰ গণতান্ত্ৰিক দেশত মৌলিক কৰ্তব্য বুলি উল্লেখ কৰে।

**বাইট (অনুৰাগ গোৱেল)**

০০০০০০

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ বাবে প্ৰতিখন জিলা সদৰৰ পৰা পুৱাই প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ লগতে নিৰ্বাচনী দায়িত্বত থকা নিৰাপত্তাৰক্ষী ইভিএমসহ কৰ্তব্যস্থানলৈ ৰাওনা হৈছে। কাছাৰ জিলাৰ ৭টা বিধানসভা সমষ্টিত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে কৰ্তব্যৰত প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল পুৱা ৭ বজাত ইভিএমসহ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ বাবে দায়িত্বত থকা ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ ৰাওনা হৈছে। কাছাৰ জিলাৰ নিৰ্বাচনী বিষয়া আয়ুষ গাৰ্গৰ উপস্থিতিত নিজ নিজ দায়িত্ব গ্ৰহণ কৰি নিৰাপত্তাৰক্ষীসহ নিৰ্ধাৰিত সমষ্টিত ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হয়। কাছাৰ জিলাৰ ৭টা বিধানসভা সমষ্টিত মুঠ ১৩ লাখ ৮১ হাজাৰ ৯০৩ গৰাকী ভোটদাতা আছে। জিলাখনত মুঠ এহেজাৰ ৭৩২টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদাতাই ভোটদান কৰিব। ইয়াৰে ৯৫ ভোটকেন্দ্ৰ সংবেদনশীল ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে প্ৰশাসনে চিনাক্ত কৰিছে।

হাইলাকান্দি জিলাতো নিৰ্বাচনৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। নিকা আৰু শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে জিলাখনত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত কেইবাটাও স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰত অধিক নিৰাপত্তা মোতায়েন কৰাৰ লগতে জিলাখনত অতিৰিক্ত ভাৱেও নিৰাপত্তা বাহিনীৰ কেইবাটাও কোম্পানী নিয়োজিত কৰা হৈছে।

**বাইট**

কাইলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে নিৰাপত্তাৰক্ষীয়ে কেইবাখনো জিলাত আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চল বন্ধ কৰি দিছে। বিশেষকৈ সীমান্ত অঞ্চলসমূহত নিৰাপত্তাৰক্ষী বৃদ্ধি কৰাৰ লগতে অঞ্চলসমূহত তদাৰক কৰি আছে। এই সময়ছোৱাত যাতে স্পৰ্শকাতৰ অঞ্চলসমূহত কোনোধৰণৰ কূটাঘাতৰ লগতে অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় ইয়াৰ বাবে প্ৰশাসনে তীক্ষ্ণ নজৰ ৰাখিছে।

ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ৬টা বিধানসভা সমষ্টিত ভোটগ্ৰহণৰ বাবে প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল পুৱাই দূৰণীবতীয়া অঞ্চললৈ ৰাওনা হৈছে। জিলাখনত মুঠ ১০ লাখ ৪১ হাজাৰ ৯৩৫ গৰাকী ভোটদাতা আছে। জিলাখনত মুঠ এহেজাৰ ৩২৬টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৩০০তকৈও অধিক ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

নলবাৰী জিলাৰ ৩টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৮২৫টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ পুৱাৰে পৰা প্ৰিজাইডিং আৰু প'লিং বিষয়াসকল ৰাওনা হৈছে। জিলাখনৰ ৫৫টা দুৰ্গম ভোটগ্ৰহণ কেন্দ্ৰলৈ নিয়োজিত বিষয়াসকল নাৱেৰে যাত্ৰা আৰম্ভ কৰিছে।

গোৱালপাৰা ৩টা বিধানসভা সমষ্টিত নিৰ্বাচনৰ বাবে প্ৰশাসন সাজু হৈছে। জিলাখনত মুঠ এহেজাৰ ১০টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰাৰ লগতে ৭২টা ভোটগ্ৰহণ কেন্দ্ৰ অসম-মেঘালয় সীমান্ত অঞ্চলত আৰু ৪৮টা ভোটগ্ৰহণ কেন্দ্ৰ নৈপৰীয়া চৰ অঞ্চলত স্থাপন কৰা হৈছে। জিলাখনত মুঠ ভোটদাতাৰ সংখ্যা ৮ লাখ ৬ হাজাৰ ৮১৫। ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ বাবে নিয়োগ বিষয়াসকল কেন্দ্ৰলৈ যাবলৈ পুৱাৰে পৰাই প্ৰস্তুতি চলাইছে।

কামৰূপ মহানগৰ জিলাৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে মহানগীৰ মণিৰাম দেৱাম ট্ৰেড চেণ্টাৰৰ পৰা প্ৰিজাইডিং বিষয়া, প'লিং বিষয়াসকল ইভিএমসহ পুৱাৰে পৰা কেন্দ্ৰসমূহলৈ ৰাওনা হয়। জিলাখনত ভোটদাতাৰ সংখ্যা হৈছে ১০ লাখ ৪৯ হাজাৰ ৬৪৪। এই ৫টা বিধানসভা সমষ্টিত নিৰ্বাচনৰ বাবে এহেজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

কামৰূপ জিলাতো ৬টা বিধানসভা সমষ্টিত এহেজাৰ ৫৫৫টা কেন্দ্ৰত কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে ৩০০টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা আৰু ১৫টা ভোটগ্ৰহণ কেন্দ্ৰ বিশেষভাৱে সক্ষম ব্যক্তিৰ দ্বাৰা পৰিচালনা কৰিবলৈ প্ৰশাসনে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে ভোটগ্ৰহণ প্ৰক্ৰিয়াত নিয়োজিত বিষয়াসকল ৰাওনা হৈছে।

ধেমাজি জিলাৰ ৩টা বিধানসভা সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ বাবে বিষয়াসকলৰ লগতে নিৰাপত্তাৰক্ষীৰ দল ৰাওনা হৈছে। জিলাখনত এইবাৰ মুঠ ৩ হাজাৰ ২৬৪ গৰাকী বিষয়া কৰ্মচাৰীৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াত নিয়োজিত কৰা হৈছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে আজি বিদেশী প্ৰতিনিধিৰ এটা দল অসমত উপস্থিত হ'ব। এঙ্গোলা, ইজিপ্ত, পৰ্টুগাল, মেক্সিকো, শ্ৰীলংকা, বেনিন আৰু ক্ৰোৱেছিয়াকে ধৰি ৭ খন দেশৰ ১৫ গৰাকী প্ৰতিনিধি আৰু নিৰ্বাচন আয়োগৰ ৩ গৰাকী বিষয়াৰে গঠিত দলটোৱে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁলোকে লগতে ক্ষেত্ৰ পৰ্যায়ত নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে নিৰ্বাচনী সামগ্ৰী কেন্দ্ৰ আৰু নিয়ন্ত্ৰণ কক্ষসমূহ পৰিদৰ্শন কৰিব। দলটোৱে কাইলৈ ভোটগ্ৰহণৰ দিনা বিভিন্ন জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি ভোটদান প্ৰক্ৰিয়া, নিৰাপত্তা ব্যৱস্থা আৰু প্ৰযুক্তি ব্যৱহাৰৰ বুজ ল'ব।

০০০০০০

নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচনত ভোটদানৰ বাবে ভোটদাতাসকলে ভোটাৰ পৰিচয় পত্ৰৰ উপৰি অন্য ১২ বিধ নথি দেখুৱাই ভোটদান কৰিব পাৰিব বুলি প্ৰকাশ কৰিছে। ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ নথকা ভোটদাতাসকলে এই ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই নথিসমূহৰ ভিতৰত আছে আধাৰ কাৰ্ড, এম জি এনৰেগাৰ জবকাৰ্ড, ডাকঘৰৰ পাছবুক, আয়ুষ্মান ভাৰত, স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড, গাড়ী চালকৰ অনুজ্ঞাপত্ৰ, পেনকাৰ্ড, পাৰপত্ৰ ইত্যাদি। ভোটদাতাগৰাকীৰ পৰিচয় সম্পৰ্কে নিশ্চিত তথ্য থাকিলে ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰত থকা বানান ভুল আদি উপেক্ষা কৰিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। ভোটাৰ পৰিচয় পত্ৰত থকা ফটোৰ বিসংগতিৰ বাবে ভোটদাতাগৰাকীৰ পৰিচয় সাব্যস্ত কৰাত সমস্যা হ'লে তেওঁ উল্লেখিত ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাব লাগিব।

০০০০০০

ৰাজ্যত কাইলৈ হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে গুৱাহাটী ৰে'ল ষ্টেচন, কামাখ্যা ৰে'ল ষ্টেচন আৰু মহানগৰীৰ বাছ আস্থানসমূহত অভূতপূৰ্ব ভিৰ পৰিলক্ষিত হৈছে। গুৱাহাটীত কৰ্মসূত্ৰে থকা লোকসকল ভোটদানৰ বাবে ইতিমধ্যে নিজ নিজ অঞ্চললৈ ৰাওনা হৈছে। নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনসমূহে নিৰ্বাচনৰ বাবে বাহনসমূহ অধিগ্ৰহণ কৰাত বাছৰ নাটনিৰ সমস্যা হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ সুযোগ লৈ একাংশ বাছচালকে যাত্ৰীৰ পৰা অধিক ভাড়া আদায় লোৱাৰো অভিযোগ উঠিছে। পুৱাৰে পৰা খানাপাৰা, জালুকবাৰী, আদাবাৰী আদি বাছ আস্থানসমূহত যথেষ্ট যাত্ৰীৰ ভিৰ পৰিলক্ষিত হৈছে। সমান্তৰালকৈ দূৰণিবতীয়া বাছ চলাচলৰ ক্ষেত্ৰতো ৰাজ্যৰ ভিন্ন প্ৰান্তৰ যাত্ৰী যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানে হৰমুজ প্ৰণালীৰে জাহাজ চলাচল অব্যাহত ৰখাৰ অনুমতি প্ৰদান কৰিলে তেওঁ দেশ দুখনৰ মাজৰ প্ৰস্তাৱিত দুসপ্তাহৰ যুদ্ধ বিৰতিৰ বাবে সন্মত বুলি প্ৰকাশ কৰিছে। শ্ৰীট্ৰাম্পে

সামাজিক মাধ্যম যোগে কয়, যে দুয়ো দেশ দ্বিপাক্ষিক যুদ্ধ বিৰতিৰ বাবে সন্মত হোৱা উচিত। তেওঁ লগতে আমেৰিকাই ইয়াৰ সামৰিক লক্ষ্যত উপনীত হোৱা আৰু সংঘৰ্ষৰ শীঘ্ৰে অৱসান ঘটিব বুলি দাবী কৰে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে ইৰাণে হৰমুজ প্ৰণালী পুনৰ মুকলি কৰি দিয়াকে ধৰি অন্য দাবীসমূহৰ প্ৰতি সন্মতি প্ৰকাশ নকৰিলে পাৰমাণৱিক প্ৰকল্পৰ লেখীয়া গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিসমূহক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হ'ব বুলি সকীয়াই দিছিল। তেওঁ ইয়াৰ বাবে ভাৰতীয় সময় অনুসৰি আজি পুৱা চাৰে ৫ বজা বান্ধি দিছিল।

ইপিনে, ইৰাণৰ বিদেশ মন্ত্ৰী ছৈয়দ আববাছ অৰাঘছিয়ে দেশখনৰ বিৰুদ্ধে আক্ৰমণ বন্ধ কৰিলেহে তেওঁলোক যুদ্ধ বিৰতিৰ প্ৰতি সন্মত হ'ব বুলি ঘোষণা কৰিছে। তেওঁ কয়, যে এনে হ'লে দুসপ্তাহেৰে হৰমুজ প্ৰণালীৰে নিৰাপদ আহ-যাহ সম্ভৱ হৈ উঠিব।

oooooo

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ সময়ত পোলিং এজেণ্টৰ আসনৰ ব্যৱস্থা সন্দৰ্ভত কোনো নতুন নিৰ্দেশনা জাৰি কৰা হোৱা নাই বুলি নিৰ্বাচন আয়োগে স্পষ্ট কৰি দিছে। ভোটগ্ৰহণৰ দিনটোত বিভিন্ন ৰাজনৈতিক দলৰ পোলিং এজেণ্টক ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত বহিবলৈ দিয়া নহ'ব বুলি একাংশ সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ হোৱাৰ পাছতে আয়োগে এই বিষয়ে উল্লেখ কৰিছে। পোলিং এজেণ্ট সম্পৰ্কীয় বৰ্তমানৰ সকলো নিৰ্দেশনা কোনো পৰিৱৰ্তন নোহোৱাকৈ বলৱৎ হৈ থাকিব বুলি আয়োগৰ সূত্ৰই জানিবলৈ দিছে।

oooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ২৭ ৰানত পৰাস্ত কৰে। ৰাজস্থানে বান্ধি দিয়া **১৫১** ৰাণৰ প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে ৯টা উইকেট হেৰুৱাই **১২৩** ৰাণহে কৰিবলৈ সক্ষম হয়। ৰাজস্থানৰ নাণ্ড্ৰে বাৰ্গাৰ, সন্দীপ শৰ্মা আৰু ৰবি বিষ্ণুইয়ে ২টাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে বৰষুণ তথা সেমেকা আউটফিল্ডৰ বাবে **১১** অভাৰলৈ হ্ৰাস কৰা খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৰাজস্থান ৰয়েলছে **৩**টা উইকেট হেৰুৱাই **১৫০** ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ যশস্বী জয়চোৱালে **৩২**টা বলত **৭৭**ৰাণ কৰি আউট নোহোৱাকৈ থাকে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহী কেপিটেলছ্ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান অন্ত পৰাৰ বাতৰি ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে 'অসমতো বিহাৰৰ ভোট চুৰি কাণ্ডৰ পুনৰাবৃত্তিৰ আশংকা- বহিঃৰাজ্যৰ পৰা আহিছে হেজাৰ হেজাৰ লোক' শিৰোনামেৰে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে অসম আৰক্ষীয়ে পৱন খেৰাক বিচাৰি দিল্লীত অভিযান চলোৱাৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক **দৈনিক জনমভূমি, আমাৰ অসম, দা ছেণ্টিনেল, দি আছাম ট্ৰিবিউন, দৈনিক অগ্ৰদূত** কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। **নিয়মীয়া বাৰ্তা** কাকতে ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্তৰ ছাৰ্জ হিয়াৰিং আজি সম্পন্ন হোৱাৰ সম্ভাৱনা ব্যক্ত কৰি এটা বাতৰি প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতে ৰাজ্যিক বিজেপিয়ে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বিৰুদ্ধে গোচৰ তৰাৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। আমাৰ অসম কাকতে জোনবাইৰ চাৰিওফালে এপাক মাৰি চাৰিগৰাকী মহাকাশচাৰী পৃথিৱীলৈ উভতি অহাৰ বাতৰিক 'ইতিহাস সৃষ্টি কৰি উভতিছে আৰ্টেমিছ-২' শিৰোনামেৰে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে ৰিণিকি ভূঞাৰ নামত কংগ্ৰেছে প্ৰকাশ কৰা তিনিখন বিদেশী ৰাষ্ট্ৰৰ পাছপ'ৰ্ট ভুৱা বুলি কেন্দ্ৰীয় বৈদেশিক ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কৰা দাবীৰ জেৰ টানি এটা বাতৰি প্ৰকাশ কৰিছে।

এতিয়া উভতিছো বাতৰিৰ মাজলৈ।

০০০০০০

বতৰ বিজ্ঞান বিভাগে কাইলৈ আৰু পৰহিলৈ ৰাজ্যৰ ঠাই বিশেষে ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। গুৱাহাটীৰ বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে মধ্য অসম আৰু ইয়াৰ চৌপাশৰ অঞ্চলসমূহত পৃথিৱী পৃষ্ঠৰ পৰা প্ৰায় ডেৰ কিলোমিটাৰৰ পৰা ৩ দশমিক ১ কিলোমিটাৰ ওপৰৰ বায়ু মণ্ডলত নিম্নচাপৰ সৃষ্টি হৈছে আৰু ইয়াৰ ফলত ৰাজ্যৰ ঠায়ে ঠায়ে বৰষুণ দিয়াৰ সম্ভাৱনা আছে।

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

**সমাপ্ত**